# অসম ভাওনা সমাৰোহ - ২০১৬

## মণিকাঞ্চন ৰঙ্গক্ষেত্ৰ, শ্ৰীশ্ৰী আউনীআটী সত্ৰ, মাজুলী

## গোহাৰি

যাবৎ স্থাস্যন্তি গিৰয়ঃ সৰিতশ্চ মহীতলে।
তাৱৎ ৰামায়ণ কথা লোকেষু প্ৰচৰিষ্যতি।।

সশ্ৰদ্ধ নিৱেদন,

ভাৰতৰ অমৰ মহাকাব্য ৰামায়ণৰ ৰচনা সন্দৰ্ভত ব্ৰহ্মাই বাল্মীকিক কৈছিল, যিমান দিন পৃথিৱীত পৰ্বত আৰু নদীসমূহ থাকিব সিমানদিন যেন ৰামায়ণৰ কাহিনী পৃথিৱীত চলি থাকিব। তদ্ৰূপ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰমুখ্যে সন্ত-মহন্ত সৱে ৰাম আৰু কৃষ্ণ কথাত ভক্তিভাৱৰ সোণপানী চৰাই ইংৰাজ নাট্যকাৰ উলিয়াম ছেক্সপীয়েৰতকৈ ছকুৰি বছৰৰ আগতে অসম নাট্য আন্দোলনৰ সূচনা কৰি ভাওনাৰ মাধ্যমেদি অসমৰ জনজীৱনত আধ্যাত্মিকতাৰ জাগৰণ আনিছিল। আজি সুদীৰ্ঘ কাল পৰিক্ৰমাত সেই নান্দনিক ভাওনা সংস্কৃতিত কিছু জড়তা আৰু ভিন্নৰুচিবোধৰ প্ৰৱেশ ঘটিছে। সেয়ে সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ মাজুলী শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ উদ্যোগ আৰু মাজুলীবাসীৰ সহযোগত ২০০৬ চনৰ পৰা প্ৰতি দুবছৰৰ মূৰে মূৰে অসম ভাওনা সমাৰোহ অনুষ্ঠিত কৰি অহা হৈছে। সেইদৰে অহা ২২ জানুৱাৰীৰ পৰা ১ ফ্ৰেব্ৰুৱাৰী, ২০১৬ লৈ এঘাৰদিনীয়া কাৰ্যসূচীৰে ভাওনা সমাৰোহ ষষ্ঠ বাৰৰ বাবে মণিকাঞ্চন ৰঙ্গক্ষেত্ৰত অনুষ্ঠিত হ'ব, য'ত ভাওনা আৰু ইয়াৰ আনুষঙ্গিক উপাদানসমূহৰ নিৰ্মোহ বিশ্লেষণ কৰিবলৈ অসমৰ নাট্যজগতৰ লগত জড়িত ব্যক্তিসকলক লৈ কৰ্মশালা আৰু আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। যাৰ দ্বাৰা আজিৰ নৱ-প্ৰজন্মই হেৰাই যাব খোজা ভাওনা পৰম্পৰাৰ মূল প্ৰবাহ সঞ্জীৱিত কৰি ৰখাৰ লগতে ভাওনাৰ বিভিন্ন সামগ্ৰীৰ সৃষ্টিৰে স্বনিয়োজনৰ পথো সুগম কৰি তুলিবলৈ সমৰ্থ হয়। হে সুধীবৃন্দ! এইবাৰ অসম ভাওনা সমাৰোহখনিত দেৱশিশু সকলৰ দ্বাৰা পৰিৱেশিত এটি বিশেষ অনুষ্ঠান সংযোগ ঘটোৱা হৈছে। সাধাৰণতে শিশুসকলক দেৱতা জ্ঞান কৰা হয়, প্ৰায় ৫০০ এনে দেৱ শিশুৰ দ্বাৰা কৃষ্ণ-বলোৰাম আৰু গোপবালকৰ সমন্বিত নৃত্য পৰিৱেশনৰ এক নান্দনিক দৃশ্যৰ মাজেৰে অসম ভাওনা সমাৰোহৰ আৰম্ভণি কৰিব বিচৰা হৈছে। এই বৃহৎ অনুষ্ঠানটি আপোনালোক ভাওনা প্ৰেমী সচেতন ব্যক্তিৰ সহায়-সহযোগ অবিহনে অনুষ্ঠিত কৰাতো সম্ভৱ নহয়। সেয়েহে আপোনাসৱৰ পৰা যথাসম্ভৱ সহায়-সহযোগ লাভ কৰিলে আমাৰ লক্ষ্য আৰু উদ্দেশ্যৰ সফলতাৰ পথত যথেষ্ট সহায়ক হ'ব। লগতে সমাৰোহৰ সকলো কাৰ্যসূচীত আপোনাসৱৰ একান্ত উপস্থিতি আৰু সহযোগিতা বাঞ্ছা কৰি গোহাৰি জনালোঁ। ইতি।


**ড° পীতাম্বৰদেৱ গোস্বামী**, *সত্ৰাধিকাৰ*
**শ্ৰীশ্ৰীআউনীআটী সত্ৰ**
*সভাপতি*

শ্ৰীজিতেন্দ্ৰ নাথ ডেকা
শ্ৰীতুলসী ৰাজখোৱা
*যুটীয়া সম্পাদক*


## অসম ভাওনা সমাৰোহ উদ্‌যাপন সমিতি